# NSD NEWS BULLETIN
# ALL INDIA RADIO, GUWAHATI

0000000000

**Date :** 06-12-2024
**Time :** 0705 hrs

*Assamese Morning Bulletin*

# HEADLINES

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি নতুন দিল্লীৰ ভাৰত মণ্ডপমত অষ্টলক্ষ্মী মহোৎসৱ মুকলি কৰিব।

২। ভাৰতীয় সংবিধানৰ প্ৰণেতা ভাৰত ৰত্ন ড° বি আৰ আম্বেদকাৰৰ ৬৯ সংখ্যক মৃত্যু বাৰ্ষিকী উপলক্ষে আজি মহাপৰিনিৰ্বান দিৱস পালন কৰা হ'ব।

৩। ভাৰতীয় ৰিজাৰ্ভ বেংকে আজি দ্বি-মাসিক মুদ্ৰা নীতি ঘোষণা কৰিব।

৪। বেংগালুৰুৰ কোৰামংগালা ইন্দোৰ ষ্টেডিয়ামত আজিৰে পৰা চিনিয়ৰ ৰাষ্ট্ৰীয় মল্লযুদ্ধ প্ৰতিযোগিতা আৰম্ভ হ'ব।

*আৰু*

৫। পুৰুষৰ ১৯ বছৰ অনুৰ্ধৰ এছিয়া কাপ প্ৰতিযোগিতাৰ ছেমি ফাইনেলসমূহ আজি অনুষ্ঠিত হ'ব।

ooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি নতুন দিল্লীৰ ভাৰত মণ্ডপমত অষ্টলক্ষ্মী মহোৎসৱ মুকলি কৰিব। তিনিদিনীয়াকৈ হ'বলগীয়া এই মহোৎসৱত উত্তৰ-পূৰ্বাঞ্চলৰ আটাইকেইখন ৰাজ্যৰ সংস্কৃতি, চহকী বস্ত্ৰশিল্প, শিল্পকলা আৰু পৰ্যটনৰ বিভিন্ন দিশ প্ৰদৰ্শন কৰা হ'ব। অষ্টলক্ষ্মীৰূপে পৰিচিত উত্তৰ-পূৰ্বাঞ্চলৰ অৰুণাচল প্ৰদেশ, অসম, মণিপুৰ, মেঘালয়, মিজোৰাম, নাগালেণ্ড, ছিক্কিম আৰু ত্ৰিপুৰাই দেশৰ সামাজিক, সংস্কৃতিক আৰু অৰ্থনৈতিক ক্ষেত্ৰত গুৰুত্বপূৰ্ণ অৱদান আগবঢ়াই আহিছে। এই মহোৎসৱত ২৫০ গৰাকীতকৈ অধিক শিল্পীয়ে হস্তশিল্প, বস্ত্ৰ আৰু কৃষি তথা উদ্যান শস্যৰ জি আই টেগ লাভ কৰা ৩৪ বিধ সা-সামগ্ৰীকে ধৰি বিভিন্ন সামগ্ৰী প্ৰদৰ্শন কৰিব। এই অনুস্থানৰ সৈতে সংগতি ৰাখি ফেশ্বন শ্ব', ক্ৰেতা-বিক্ৰেতাৰ সন্মিলন আদিৰো আয়োজন কৰা হৈছে। উত্তৰ-পূৰ্বাঞ্চলৰ ৩২০ গৰাকী কৃষক আৰু শিল্পীৰ সা-সামগ্ৰী প্ৰদৰ্শন হ'বলগীয়া গ্ৰাম্য হাট বজাৰ এই মহোৎসৱৰ বিশেষ আকৰ্ষণ। উল্লেখযোগ্য যে, এই মহোৎসৱে উত্তৰ-পূৰ্বাঞ্চলৰ শিল্পী, উদ্যোগীসকলক নতুন সুযোগ প্ৰদান কৰিব।

ooooo

ভাৰতীয় সংবিধানৰ প্ৰণেতা ভাৰত ৰত্ন ড০ বি আৰ আম্বেদকাৰৰ ৬৯ সংখ্যক মৃত্যু বাৰ্ষিকী উপলক্ষে আজি মহাপৰিনিৰ্বান দিৱস পালন কৰা হ'ব। আজিৰ এই বিশেষ দিনটোত দেশৱাসীয়ে শিক্ষাৰ ক্ষেত্ৰত গুৰুত্ব প্ৰদান কৰি এখন সৰ্বাংগ সুন্দৰ সমাজ গঢ়িবলৈ কৰা বাবা চাহেব আম্বেদকাৰৰ সপোনক সন্মান জনাই আহিছে।

জাতি গঠনৰ ক্ষেত্ৰত বাবা চাহেব আম্বেদকাৰক স্মৰণ কৰাৰ উদ্দেশ্যে দেশজুৰি বিভিন্ন অনুষ্ঠানৰ আয়োজন কৰা হৈছে। উপ ৰাষ্ট্ৰপতি জগদীপ ধনখড়, প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী, লোকসভাৰ অধ্যক্ষ ওম বিৰলা আৰু

কেইবাগৰাকী সাংসদ তথা অন্যান্য বিষয়ববীয়াই ভাৰতীয় সংবিধানৰ ৰূপকাৰ আম্বেদকাৰৰ স্মৃতিত নতুন দিল্লীত সংসদ ভৱনৰ প্ৰেৰণা স্থলত শ্ৰদ্ধা জ্ঞাপন কৰিব।

০০০০০

বিজেপিৰ জ্যেষ্ঠ নেতা দেৱেন্দ্ৰ ফাড়নবিছে কালি তৃতীয়বাৰৰ বাবে মহাৰাষ্ট্ৰৰ মুখ্যমন্ত্ৰী হিচাপে শপতগ্ৰহণ কৰে। শিৱসেনাৰ একনাথ সিন্দে আৰু ৰাষ্ট্ৰবাদী কংগ্ৰেছ পাৰ্টীৰ অজিত পাৱাৰে উপ-মুখ্যমন্ত্ৰী হিচাপে শপত গ্ৰহণ কৰে। উল্লেখযোগ্য যে, বিজেপি-শিৱসেনা-এন চি পি মিত্ৰজোঁটে মহাৰাষ্ট্ৰত অলপতে হৈ যোৱা বিধানসভা নিৰ্বাচনত ২৮৮ খন আসনৰ ভিতৰত ২৩০ খন আসন লাভ কৰিছে। মুম্বাইৰ ঐতিহাসিক আজাদ ময়দানত এটা গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানত ৰাজ্যপাল চি পি ৰাধাকৃষ্ণণে শ্ৰীফাড়নবিছক পদ আৰু গোপনীয়তাৰ শপতবাক্য পাঠ কৰোৱায়। মুখ্যমন্ত্ৰীৰ লগতে উপ-মুখ্যমন্ত্ৰীদ্বয় আৰু অন্যান্য কেবিনেট মন্ত্ৰীসকলেও শপতগ্ৰহণ কৰে। উল্লেখযোগ্য যে, শ্ৰীফাড়নাবিছক সৰ্বসন্মতি ক্ৰমে বিজেপি বিধায়িনী দলৰ নেতা হিচাপে নিৰ্বাচিত কৰা হয়। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী, এন ডি এ শাসনাধিস্থিত ৰাজ্যসমূহৰ মুখ্যমন্ত্ৰী আৰু কেন্দ্ৰীয় মন্ত্ৰীসকল এই শপতগ্ৰহণ অনুষ্ঠানত উপস্থিত থাকে। শিৱসেনা আৰু এন চি পিৰ বাহিৰেও ৰাষ্ট্ৰীয় সমাজপক্ষ, জনসূৰ্য শক্তি দল, যুৱ স্বাভিমান পক্ষৰ ৰবি ৰানা আৰু দুগৰাকী নিৰ্দলীয় বিধায়কে মুখ্যমন্ত্ৰী দেৱেন্দ্ৰ ফাড়নবিছলৈ সমৰ্থন আগবঢ়াইছে।

০০০০০

কেন্দ্ৰীয় যুৱ পৰিক্ৰমা আৰু ক্ৰীড়া মন্ত্ৰী ড° মনসুখ মন্দাভিয়াই চলিত বিকশিত ভাৰত কুইজ প্ৰতিযোগিতাত অংশগ্ৰহণ কৰাৰ সময়সীমা অহা ১০ ডিচেম্বৰলৈ বৃদ্ধি কৰা হৈছে বুলি ঘোষণা কৰিছে। যুৱক-যুৱতীসকলে এই কুইজ প্ৰতিযোগিতাত ভাগ লোৱাৰ বাবে মাই ভাৰত প্লেটফৰ্ম চাব পাৰে। উল্লেখযোগ্য যে, ১৫ৰ পৰা ২৯ বছৰ বয়সৰ সকলো যুৱক-যুৱতীয়ে এই প্ৰতিযোগিতাত ভাগ লৈ বিকশিত ভাৰতৰ বাবে নিজৰ ধাৰণাসমূহ প্ৰকাশ কৰিব পাৰে। এই প্ৰতিযোগিতাত বিজয়ীসকলে নতুন দিল্লীৰ ভাৰত মণ্ডপমত অহা ১১ আৰু ১২ জানুৱাৰীত হ'বলগীয়া অনুষ্ঠানত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ সৈতে বিকশিত ভাৰত সন্দৰ্ভত থকা নিজৰ ধাৰণাসমূহৰ বিষয়ে মত বিনিময় কৰিব পাৰে।

০০০০০

মেঘালয়ত জলবায়ু অনুকূল পানী সংৰক্ষণ প্ৰকল্পৰ বাবে কেন্দ্ৰ আৰু এছিয়ান ডেভলপমেণ্ট বেংকৰ মাজত ৫ কোটি ডলাৰৰ ঋণ চুক্তি স্বাক্ষৰিত হৈছে।

জলবায়ু অনুকূল সামূহিক পানী সংৰক্ষণ প্ৰকল্পৰ এই ঋণ চুক্তিত কালি অৰ্থনৈতিক পৰিক্ৰমা বিভাগৰ যুটীয়া সচিব জুহী মুখাৰ্জী আৰু এ ডি বিৰ ভাৰত নিৱাসী অভিযানৰ দেশীয় সঞ্চালক মিঅ' অকাই স্বাক্ষৰ কৰে।

এই প্ৰকল্পটোৱে ১২ খন জিলাৰ ৫০২টা ক্ষুদ্ৰ পানী সংৰক্ষণৰ সুবিধা নিৰ্মাণত সহায় কৰিব। বাৰিষাৰ পৰ্যাপ্ত বৰষুণ ধৰি ৰখা আৰু পৰিচালনা কৰাৰ বাবে জলবায়ু অনুকূল ডিজাইন সন্নিৱিষ্ট কৰা হ'ব, যাতে এই পানী খৰালিৰ দিনত প্ৰয়োজন অনুসাৰে ব্যৱহাৰ কৰিব পাৰে।

এই প্ৰকল্পৰ অধীনত ৩ হাজাৰ কমাণ্ড এলেকাৰ কৃষিভূমিত জলসিঞ্চনৰ ব্যৱস্থা কৰা হ'ব। লগতে জলবায়ুৰ তথ্য সংগ্ৰহ আৰু নিৰীক্ষণৰ বাবে তথা গাৰো, জয়ন্তীয়া আৰু খাচী জনজাতি অধ্যুষিত অঞ্চলত ক্ষুদ্ৰ জলসিঞ্চন ব্যৱস্থাৰ বাবে ৫০টা বতৰ কেন্দ্ৰ স্থাপন কৰা হ'ব।

এ ডি বিয়ে মেঘালয়ৰ ৰাজ্যিক জলভাগ আৰু বনাঞ্চল উন্নয়ন সংস্থা তথা মাটি আৰু জল সংৰক্ষণ বিভাগৰ জল ব্যৱস্থাপনাৰ সামৰ্থ শক্তিশালী কৰাত সহায় কৰিব।

ooooo

আজিৰে পৰা কেন্দ্ৰীয় শাসিত প্ৰদেশ পুডুচেৰীত দ্বাদশ আন্তঃৰাষ্ট্ৰীয় তথ্যচিত্ৰ আৰু চুটী ছবি মহোৎসৱ আৰম্ভ হ'ব। তিনিদিনীয়া এই মহোৎসৱত দেশ-বিদেশৰ মুঠ ৩৫ খন নিৰ্বাচিত তথ্য চিত্ৰ আৰু চুটী ছবি প্ৰদৰ্শন কৰা হ'ব। ভাৰতৰ ৰাষ্ট্ৰীয় চলচ্চিত্ৰ উন্নয়ন নিগমৰ সহযোগিতাত পুডুচেৰী বিশ্ববিদ্যালয়ত ইলেকট্ৰনিকছ্ আৰু জনসংযোগ বিভাগৰ উদ্যোগত অনুষ্ঠিত হোৱা এই মহোৎসৱত তামিলনাডু, প্ৰগতিশীল লেখক সমাজ আৰু পুডু চেৰী চলচ্চিত্ৰ সংঘয়ো সহযোগিতা আগবঢ়াইছে।

ooooo

ভাৰতীয় ৰিজাৰ্ভ বেংকে আজি দ্বি-মাসিক মুদ্ৰা নীতিৰ সিদ্ধান্ত ঘোষণা কৰিব। বুধবাৰে আৰম্ভ হোৱা মুদ্ৰা নীতি সমিতিৰ তিনিদিনীয়া এই বৈঠকত ৰিজাৰ্ভ বেংকৰ গভৰ্ণৰ শক্তিকান্ত দাসে মুদ্ৰাস্ফীতিৰ বিষয়ে আলোচনা কৰিব।

এই আলোচনাকালত কেন্দ্ৰীয় বেংকে ৰেপ হাৰৰ ওপৰত যথাৰ্থ অৱস্থা বজাই ৰখাৰ সম্ভাৱনা আছে যদিও নগদ ধনৰ সংৰক্ষিত অনুপাত চি আৰ আৰ সাল-সলনিৰ কথা বিবেচনা কৰিব পাৰে।

ৰিজাৰ্ভ বেংকে ২০২৩ চনৰে পৰা ৰেপ' ৰেট বা হ্ৰস্বম্যাদী ঋণৰ হাৰ ৬ দশমিক ৫ শতাংশ অপৰিৱৰ্তিতভাৱে ৰাখিছে।

চি আৰ আৰ কৰ্তনে বেংকি ব্যৱস্থাত লিকুইডিটিৰ সৃষ্টি কৰিব পাৰে, যিয়ে অৰ্থনৈতিক কাৰ্যকলাপৰ বাবে কুশ্বন প্ৰদানত সহায় কৰিব। চি আৰ আৰ ৪ দশমিক ৫ শতাংশ হাৰ ২০২২ চনৰ মে' মাহৰে পৰা অপৰিৱৰ্তিতভাৱে হৈ আছে।

ooooo

বেংগালুৰুৰ কোৰামংগালা ইন্দোৰ ষ্টেডিয়ামত আজিৰে পৰা চিনিয়ৰ ৰাষ্ট্ৰীয় মল্লযুদ্ধ প্ৰতিযোগিতা আৰম্ভ হ'ব। দেশৰ বিভিন্ন প্ৰান্তৰ আগশাৰীৰ মল্লযোদ্ধাসকলে এই প্ৰতিযোগিতাত ভাগ ল'ব। এই প্ৰতিযোগিতাত দেশৰ ২৪ খন ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চলে অংশগ্ৰহণ কৰিব। সমগ্ৰ দেশৰ ৭০০তকৈও অধিক প্ৰতিযোগী এই প্ৰতিযোগিতাত ভাগ ল'ব। হাৰিয়ানাৰ ২৮ গৰাকী মল্লযোদ্ধাই বিভিন্ন শাখাত প্ৰতিদ্বন্দ্বিতা আগবঢ়ায়। আয়োজক কৰ্ণাটকৰ ৩২ গৰাকী খেলুৱৈয়ে ভাগ ল'ব। এই প্ৰতিযোগিতাত অংশগ্ৰহণ কৰা উল্লেখযোগ্য খেলুৱৈসকলৰ ভিতৰত ২৩ বছৰ অনুৰ্ধৰ এছিয়ান চেম্পিয়নশ্বিপত স্বৰ্ণপদক বিজয়ী মণিপুৰৰ ৰাই মিনাক্ষী দেৱী, হাৰিয়ানাৰ জ্যোতি, অৰ্জুন বঁটাপ্ৰাপ্যক তথা এছিয়ান গেমৰ পদক বিজয়ী হাৰিয়ানাৰ সুনীল দবাৰপুৰিয়া অন্যতম।

ooooo

পুৰুষৰ ১৯ বছৰ অনুৰ্ধৰ এছিয়া কাপ প্ৰতিযোগিতাৰ প্ৰথমখন ছেমি ফাইনেল আজি ভাৰত আৰু শ্ৰীলংকাৰ মাজত অনুষ্ঠিত হ'ব। শ্বাৰজাহত হ'বলগীয়া খেলখন ভাৰতীয় সময় অনুসৰি দিনৰ চাৰে ১০ বজাত আৰম্ভ হ'ব। ডুবাইত হ'বলগীয়া আনখন ছেমি ফাইনেলত পাকিস্তান, বাংলাদেশৰ মুখামুখি হ'ব। ভাৰতে গ্ৰুপ-এৰ শেষৰখন খেলত আৰব আমিৰি ৰাষ্ট্ৰক ১০ উইকেটত পৰাস্ত কৰি ছেমি ফাইনেলত প্ৰৱেশ কৰিছে। জাপান আৰু আৰব আমিৰি ৰাষ্ট্ৰৰ বিৰুদ্ধে জয়লাভ কৰি ভাৰত নিজৰ গ্ৰুপৰ দ্বিতীয় স্থানত আছে।

ooooo

বাহৰেনৰ মানামাত আজিৰ পৰা চলিত বৰ্ষৰ বিশ্ব ভাৰোত্তলন প্ৰতিযোগিতা আৰম্ভ হ'ব। ৩ গৰাকী মহিলা ভাৰতীয় ভাৰোত্তলকে এই প্ৰতিযোগিতাত ভাগ ল'ব। অৱশ্যে পুৰুষ শাখাত এই বছৰ কোনো ভাৰতীয় খেলুৱৈয়ে অংশগ্ৰহণ কৰা নাই। অলিম্পিকৰ পদক বিজেতা মীৰাবাই চানু এই প্ৰতিযোগিতাত ভাগ লোৱা নাই। চানুৰ অনুপস্থিতিত জ্ঞানেশ্বৰী য়াদৱে মহিলাৰ ৪৯ কিলোগ্ৰাম শাখাত ভাৰতক প্ৰতিনিধিত্ব কৰিব। প্ৰতিযোগিতাৰ এই শাখাৰ গ্ৰুপ-এত স্থান লাভ কৰা জ্ঞানেশ্বৰী হৈছে একমাত্ৰ ভাৰতীয় ভাৰোত্তলক। কমনৱেলথ পদক বিজয়ী বিন্দিয়াৰাণী দেৱীয়ে মহিলাৰ ৫৫ কিলোগ্ৰাম শাখাৰ গ্ৰুপ-বিত প্ৰতিদ্বন্দ্বিতা আগবঢ়াব। আনহাতে দিতীমণি সোণোৱালে ৬৪ কিলোগ্ৰাম শাখাৰ গ্ৰুপ-চিত খেলিব।

০০০০০

**সমাপ্ত**